আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MARCH 06, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬৮ Guwahati, Assam ।। মূল্যঃ এটকা

## ‘ন্যায় যাত্ৰা’ত আলু দিয়া বিজেপিৰ কাৰ্যকৰ্তাক ৰাহুল গান্ধীয়ে দিলে ফ্লায়িং কিছ!



**ভূপাল, ৫ মাৰ্চঃ** কংগ্ৰেছৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ মাজতে ৰাহুল গান্ধীৰ হাতত আলু দি সোণলৈ ৰূপান্তৰিত কৰিবলৈ ক’লে বিজেপি সমৰ্থকে। প্ৰত্যুত্তৰত বিজেপি সমৰ্থকক ফ্লায়িং কিছ দি ২ পৃষ্ঠাত চাওক



মধ্যপ্ৰদেশত বিজেপি কাৰ্যকৰ্তাৰ হাতৰ পৰা আলু গ্ৰহণ কৰি এনেদৰে ফ্লায়িং কিছ দিছে ৰাহুল গান্ধীয়ে

## অকালতে প্ৰাণ হেৰুৱালে ৩০ বছৰীয়া ৰূপমে, আহত আন এজন

# নিশাৰ মহানগৰীত মন্ত্ৰীৰ কনভয়ে খুন্দিয়ালে ২ যুৱকক

**ই-সংবাদ, ৫ মাৰ্চঃ** মন্ত্ৰী-বিধায়কৰ কনভয়ৰ খুন্দাত সাধাৰণ লোক ঘূণীয়া হোৱাতো, সাধাৰণ লোকে প্ৰাণ হেৰুওৱাতো এতিয়া তেনেই সাধাৰণ কথাত পৰিণত হৈছে। মন্ত্ৰী-বিধায়কৰ কনভয় মানেই যান-বাহনৰ নীতি উলংঘা কৰি বতাহৰ গতিত গৈ থকা কেইখনমান গাড়ী বুলিয়েই অসমৰ ৰাইজে জনা হৈছে। কনভয়ে পথৰ ধূলি উৰুৱাই নগ’লে শেষাংশ ৩ পৃষ্ঠাত






## বিহু দেখুৱালে ফেচবুকে!

**ই-সংবাদ, ৫ মাৰ্চঃ** হঠাতে যেন স্তব্ধ হৈ পৰিল পৃথিৱীখন। ইণ্টাৰনেট জগতত হাহাকাৰ লাগিল। স্ক্ৰল কৰি সময় পাৰ কৰা ছ’চিয়েল মিডিয়াৰ আটাইতকৈ বেছি ব্যৱহাৰকাৰী থকা প্লেটফৰ্ম ফেচবুক আৰু ইনষ্টাগ্ৰাম হঠাতে ডাউন হৈ পৰে। নিজে নিজে লগ-আউট হৈ লগ-ইন নোহোৱাত শেষাংশ ৪ পৃষ্ঠাত

## ভূপেন বৰাক পুনৰ দিলে চমন

**ই-সংবাদ, ৫ মাৰ্চঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক অসম আৰক্ষীৰ চিআইডিয়ে শেষাংশ ৩ পৃষ্ঠাত

## দোষমুক্ত হ’ল দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক



**মুম্বাই, ৫ মাৰ্চঃ** মাওবাদী সম্পৰ্কৰ অভিযোগত ২০১৭ চনৰ পৰাই কাৰাবন্দী হৈ থকা বিশেষভাৱে সক্ষম এগৰাকী অধ্যাপকক অৱশেষত শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ন্যায় যাত্ৰা’ত আলু দিয়া বিজেপিৰ

অভিবাদন জনোৱা জনালে গান্ধীয়েও। সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে এই দৃশ্যৰ ভিডিঅ’। দৰাচলতে মধ্যপ্ৰদেশত প্ৰৱেশ কৰা ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাই আজি ছাজাপুৰৰ মাজেৰে যাত্ৰা আৰম্ভ কৰে। এই সময়ছোৱাত বিভিন্ন স্থানত ৰৈ ৰাহুল গান্ধীয়ে স্থানীয় যুৱক-যুৱতী আৰু সমাজৰ বিভিন্ন লোকৰ সৈতে মত বিনিময় কৰে। আজি যাত্ৰাৰ সময়তে ছাজাপুৰত একাংশ বিজেপি সমৰ্থকে মোদী মোদী শ্ল’গান দিবলৈ আৰম্ভ কৰে। ৰাহুল গান্ধীয়ে এয়া শুনি গাড়ীৰ পৰা নামি বিজেপি সমৰ্থক কেইজনৰ কাষলৈ আগবঢ়াত বিজেপিৰ সমৰ্থকে কংগ্ৰেছ সাংসদগৰাকীৰ হাতত আলু দি তাক সোণলৈ ৰূপান্তৰিত কৰিব কয়। প্ৰত্যুত্তৰত ৰাহুল গান্ধীয়ে হাঁহি কয়, 'মই পুনৰ অহাৰ সময়ত সোণ লৈ আহিম।’ পৰৱৰ্তী সময়ত গান্ধীয়ে আহি তেওঁৰ গাড়ীৰ উঠাৰ সময়তে পুনৰ বিজেপি সমৰ্থক কেইজনে প্ৰচণ্ড জোৰে জয় শ্ৰীৰাম ধ্বনি দিবলৈ আৰম্ভ কৰে। ৰাহুল গান্ধীয়ে ইয়াৰ প্ৰত্যুত্তৰ দি যুৱক কেইজনক অভিবাদন জনাই ফ্লায়িং কিছ দিয়া পৰিলক্ষিত হয়। উল্লেখ্য যে, কিছুবছৰ পূৰ্বে নিৰ্বাচনী ভাষণত ৰাহুল গান্ধীয়ে 'ইধৰ চে আলু ডালেংগে তো উধৰ চে সোনা নিকলেগা’ বুলি মন্তব্য কৰা এটা ভিডিঅ’ ক্লিপ সামাজিক মাধ্যমত ভাইৰেল কৰি ৰাহুল গান্ধীক উপলুঙা কৰিছিল বিজেপিয়ে। অৱশ্যে পৰৱৰ্তী সময়ত গম পোৱা যায় যে দৰাচলতে সেই মন্তব্য ৰাহুল গান্ধীৰ নহয়, বৰং গান্ধীয়ে প্ৰধানমন্ত্ৰীৰ ভাষণৰ এক উদ্ধৃতিহে প্ৰদান কৰিছিল। কিন্তু এই সত্যক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা একাংশ বিজেপি নেতা-সমৰ্থকে আজিও ৰাহুলক এই মন্তব্যৰ বাবেই কটাক্ষ কৰা পৰিলক্ষিত হৈ আহিছে। উল্লেখযোগ্য যে, মধ্যপ্ৰদেশত ৩ মাৰ্চৰ পৰা আৰম্ভ হৈছে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা। ৰাজ্যখনৰ কংগ্ৰেছ নেতাসকলে দাবী কৰা মতে, যাত্ৰাৰ সময়ৰ ৰাহুল গান্ধীৰ বৈঠকত বিপুল জনসমাগম দেখা গৈছে। দিগ্বিজয় সিঙৰ পৰা কমল নাথলৈকে জ্যেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰিছে এই যাত্ৰাত।






## হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গোচৰ তৰিব আজমলে

**ই-সংবাদ, ৫ মাৰ্চঃ** মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিব ইউডিএফ প্ৰধান তথা ধুবুৰীৰ সাংসদ বদৰুদ্দিন আজমলে৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াকৈ বিধানসভাত কৰা মন্তব্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বদৰুদ্দিন আজমলে গোচৰ ৰুজু কৰাৰ হুংকাৰ দিছে৷ ভুল আৰু ধৰ্মীয় অসংবেদনশীল কথা কোৱাৰ অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিয়ে আজমলে৷ বিধানসভাৰ বাজেট অধিৱেশনৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অভিযোগ উত্থাপন কৰি ৫-৬ বছৰ বয়সত ছোৱালীৰ বিয়া হ’বলৈ নিদিও বুলি কৈছিল। মুখ্যমন্ত্ৰীয়ে মই জীয়াই থকালৈ বাল্যবিবাহ হ’বলৈ নিদিও বুলিও কৈছিল৷ ইউডিএফৰ মুৰব্বী আজমলে মুখ্যমন্ত্ৰীৰ মন্তব্যক ভিত্তিহীন বুলি গৰিহণা দি প্ৰমাণ দাবী কৰে৷ অসমৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে ৰাইজক বিপথে পৰিচালিত কৰাৰ অভিযোগ উত্থাপন কৰে আজমলে। বিতৰ্কিত ৫-৬ বছৰীয়া ছোৱালীৰ বিয়া হয় বুলি প্ৰমাণ দিব পাৰিলে ৰাজনৈতিক কেৰিয়াৰৰ পৰা পদত্যাগ কৰিম বুলিও কয় আজমলে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিশাৰ মহানগৰীত মন্ত্ৰী পীয়ুষৰ

ৰজা বুলি যেন গৌৰৱ কৰিব নোৱাৰে মন্ত্ৰী-বিধায়কো৷ বতাহৰ গতিৰ মন্ত্ৰী-বিধায়কৰ কনভয়ে মাহেকে, পষেকে সাধাৰণ লোকক ঘুণীয়া কৰাটো এতিয়া নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে৷ এইবাৰ পুনৰ মন্ত্ৰীৰ কনভয়ে ৩০ বছৰীয়া এজন যুৱকৰ প্ৰাণ লোৱাৰ অভিযোগ উত্থাপন হৈছে৷ প্ৰাপ্ত বাতৰি অনুযায়ী গুৱাহাটী মহানগৰীৰ খানাপাৰাত ৰাজ্যখনৰ এগৰাকী প্ৰভাৱশালী মন্ত্ৰী পীযুষ হাজৰিকাৰ তীব্ৰ বেগী কনভয়ে বাইকত খুন্দা মৰাৰ ফলত ৰূপম বৰা নামৰ যুৱকজনে অকালতে মৃত্যুক আকোৱালি লয়৷ আনহাতে বাইকখনত থকা আন এজন যুৱকৰ অৱস্থা সংকটজনক আৰু আইচিইউত ৰখা বুলি জানিব পৰা গৈছে৷ জানিব পৰা মতে, ৩ মাৰ্চৰ নিশা প্ৰায় ১২ বজাত আৰক্ষীৰ পাইলট কাৰ থকা কনভয়ে তীব্ৰ বেগত খানাপাৰ দিশৰ পৰা গণেশগুৰি অভিমুখে আহি আছিল৷ তেনে সময়তে খানাপাৰা চ'কৰ পৰা প্ৰায় কিছু নিলগত ৰিচাৰ্জ গেট তথা ফুটব্ৰীজৰ সমীপত বাইকত অহা দুই যুৱকক তীব্ৰ গতিত খুন্দা মাৰে৷ যুৱক দুজনে বাইকত আহি আছিল৷ খালী পথেৰে দুই যুৱকে বাইকখন ইউ-টাৰ্ণ লৈ এপিএছছিৰ কাৰ্যালয়ৰ দিশে আহিব খুজিছিল৷ সেই সময়তে মন্ত্ৰীৰ কনভয়ৰ বাহনে তীব্ৰ গতিত খুন্দা মাৰে৷ দুৰ্ঘটনাত পতিত বাহনখন এৰি মন্ত্ৰীৰ কনভয় তাৰ পৰা আঁতৰি যায়৷ তেজেৰে লুতুৰি-পুতুৰি হৈ দুই যুৱক পৰি ৰয়৷ একাংশ লোকে সমবেত হৈ থকাৰ সময়তে পৰিয়ালৰ লোকে এম্বুলেন্স মাতি আনিহে হাস্পতাললৈ নিয়ে যদিও ৰূপম বৰাই পুৱাই মৃত্যুক আকোৱালি লয়৷ আনহাতে, আন এজন যুৱকে এপল হাস্পতালৰ বিছনাত সংকটজনক অৱস্থাত মৃত্যুৰ সৈতে যুঁজ দিছে৷ মৃত্যুক আকোৱালি লোৱা ৰূপম বৰাৰ পিতৃয়ে কয় যে সি মোৰ মৰমৰ সন্তান৷ সি এপল হাস্পতালত চাকৰি কৰিছিল৷ মই ৰাতি বাইকখন আৰু বলেৰ' বাহখনন পৰি থকা দেখিছিলো৷ কিন্তু পুৱা তাৰ পৰা আঁতৰ কৰি কলৈ নিছে গম নাপাও৷ ৰূপম বৰাৰ ভাতৃ অধিবক্তা ধ্ৰুৱ বৰাই ঘটনাক লৈ তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে৷ ধ্ৰুৱ বৰাৰ বন্ধু এজনে এটা সংবাদ প্ৰতিষ্ঠানত মন্তব্য প্ৰদান কৰি মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ে এই কাণ্ড সংঘটিত কৰিছে বুলি কয়৷ 'দিছপুৰ থানাৰ আৰক্ষী আহি কৈছে যে দুৰ্ঘটনাত ডিউটিৰ অন্তত কনভয়ৰ শেষৰ গাড়ীখন আছিল৷ প্ৰথমে আৰক্ষী আৰু পীযুষ হাজৰিকাই ৰূপম বৰা কোন হাস্পতালত আছিল গমে পোৱা নাছিল৷ পাছত দিছপুৰ আৰক্ষী আৰু পীযুষ হাজৰিকাই ফোনত যোগাযোগ কৰিছে৷ ৰাতি ৮টা মান উইনিটৰ তেজৰ প্ৰয়োজন হৈছিল৷ পুৱা আকৌ তেজৰ প্ৰয়োজন আছিল৷ হাত-ভৰিৰ অস্ত্ৰোপচাৰ কৰাৰ কথা আছিল৷ কিন্তু পুৱা তাৰ অৱস্থা বেয়া হয়৷'-ধ্ৰুৱ বৰাৰ বন্ধুজনে কয়। তেওঁ আৰু কয় যে খাকী পোছাক পিন্ধা মানেই অসম আৰক্ষী বুলি আমি জানো৷ তেওঁলোকে অসম আৰক্ষীৰ হয়৷ তেওঁলোকে কনভয়ত থাকিল বুলিয়েই ব্যৱহাৰটো সলনি হৈ যায় নেকি বুলি প্ৰশ্ন কৰে৷ আন এজন প্ৰত্যক্ষদৰ্শী যুৱকৰ ভাষ্য অনুসৰি এজন মিনিষ্টাৰৰ গাড়ী ফালি-ছিৰি আহিছিল৷ ভয়তে প্ৰত্যক্ষদৰ্শী যুৱকজনে গাড়ীখন ৰখাই দিয়ে৷ মই গাড়ী ৰখাই কনভয়টো যাবলৈ দিছো৷ সিহতঁৰ আগতে যাবলগীয়া আছে, আগতে যাওক৷ 'কিয়া কাৰ্ণিভেল' হয়৷ গাড়ীৰ নম্বৰত ১১১১ আছে৷ বাইকখনে টাৰ্ণিং লওতেই চিধাই খুন্দা মাৰিছে৷ গাড়ীখন ডিভাইডাৰত উঠি একপাল্টিমান মাৰিছে৷ লগে লগে মই ৭০-৮০ স্পীডত গৈছো৷ চিএমৰ অফিচৰ গেট খোলাই আছে৷ গৈ তাত থকা আৰক্ষীক কৈছো, তাত এনেকুৱা হৈছে, বলক৷ মোক কৈছে হয় নেকি? তাৰ পাছত মই মিডিয়াক খবৰ দিছো৷ লৰা দুটা স্পট ডেথ হ'ব৷ গাড়ী উফৰি গৈছে৷ ছাউথৰ ফিল্মো তেনেকুৱা নহয়৷ কিন্তু কনভয় গুছি গ'ল৷ সেই সময়ত পথত গাড়ীয়েই নাছিল আৰু পইণ্টত ছিগনেল ভংগ কৰি যোৱা বুলিও দাবী কৰিছে প্ৰত্যক্ষদৰ্শী যুৱকজনে৷ ৰূপম বৰাই গণেশগুৰিৰ এপ'ল' হাস্পতালত কাম কৰিছিল বুলি জানিব পৰা গৈছে৷ নিশা কৰ্তব্য সামৰি খানাপাৰাৰ ঘৰলৈ বন্ধু এজনৰ সৈতে গৈ আছিল৷ এই ঘটনাক লৈ গুৱাহাটীস্থিত মূলসুঁতিৰ সংবাদমাধ্যম আৰু সততে সামাজিক মাধ্যমত বিভিন্ন বিষয়ত প্ৰতিক্ৰিয়া দিয়া লোকসকলেও ৰহস্যজনক মৌনতা অৱলম্বন কৰা বুলিও চৰ্চা চলা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূপেন বৰাক পুনৰ দিলে চমন

কংগ্ৰেছৰ নেতালৈ অপৰাধ অনুসন্ধান বিভাগৰ দ্বিতীয় চমন৷ চমনক গুৰুত্ব নিদিলে গ্ৰেপ্তাৰ হ'ব পাৰে ভূপেন বৰা আৰু দেৱব্ৰত শইকীয়া৷ ৭ মাৰ্চত চিআইডি কাৰ্যালয়ত বৰাক উপস্থিতি বাধ্যতামূলক কৰিছে চিআইডিয়ে৷ চিআইডিৰ আৰক্ষী পৰিদৰ্শকে জাৰি কৰা চমনত কংগ্ৰেছৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ গুৱাহাটীত ৰাজহুৱা সম্পত্তিৰ ক্ষতিৰ অভিযোগ আনি হাজিৰ হ'বলৈ কোৱা হৈছে৷ প্ৰথম চমনত চিআইডিৰ কাৰ্যালয়ত উপস্থিত থাকিবলৈ অস্বীকাৰ কৰাৰ পাছতে চমন পুনৰ জাৰি কৰা হৈছে৷ লগতে দেৱব্ৰত শইকীয়াক ৬ মাৰ্চত এছআইটিৰ সন্মুখত হাজিৰ হ'বলৈ কোৱা হৈছে। এই সন্দৰ্ভত চিআৰপিচিৰ ধাৰা ৪১-এৰ অধীনত শইকীয়ালৈ চমন প্ৰেৰণ কৰা হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দোষমুক্ত হ'ল দিল্লী

দোষমুক্ত ঘোষণা কৰিলে আদালতে। দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক জি এন সাইবাবা আৰু আন পাঁচজনক মঙলবাৰে বোম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠে মাওবাদী সম্পৰ্কৰ অভিযোগত এক গোচৰত দোষমুক্ত কৰে। প্ৰমাণৰ অভাৱৰ বাবে আদালতে বিচাৰ বিভাগক তীব্ৰ সমালোচনা কৰি ২০১৭ চনত অধিবেশন আদালতে অভিযুক্তসকলৰ দোষী সাব্যস্ত হোৱাৰ বিৰুদ্ধে আবেদনৰ অনুমতি প্ৰদান কৰে। বিশেষভাৱে সক্ষম ইংৰাজী অধ্যাপক সাইবাবাক ২০১৪ চনৰ মে' মাহত মহাৰাষ্ট্ৰ আৰক্ষীয়ে দিল্লীৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰি নাগপুৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী কৰি ৰাখিছিল। পিছত বোম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠে তেওঁক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰে। অৱশ্যে পৰৱৰ্তী সময়ত পুনৰ গ্ৰেপ্তাৰ কৰি দিল্লী বিশ্ববিদ্যালয়ৰ পদৰ পৰা নিলম্বিত কৰা হয় সাইবাবাক। বাওঁপন্থী উগ্ৰপন্থী সংগঠনৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগ আৰু ভাৰতৰ বিৰুদ্ধে "যুদ্ধ চলোৱা"ৰ বাবে অধিবেশন আদালতে সাইবাবা আৰু আন চাৰিজনক যাৱজ্জীৱন কাৰাদণ্ড আৰু এবছৰৰ পৰা দহ বছৰৰ কঠোৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছিল। নিষিদ্ধ ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাওবাদী) আৰু ইয়াৰ লগত জড়িত গোটসমূহৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকাৰ বাবে আদালতে তেওঁলোকক দোষী সাব্যস্ত কৰিছিল। বোম্বে উচ্চ ন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠে শুনানি গ্ৰহণ কৰা অধিবেশন আদালতৰ ৰায়ৰ বিৰুদ্ধে অভিযুক্তসকলে আপীল দাখিল কৰিছিল, য'ত ন্যায়াধীশ বিনয় জি যোশী আৰু ন্যায়াধীশ বাল্মিকি এছ এ মেনেজেছ আছিল। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বিচাৰপীঠে শুনানিৰ সমাপ্ত কৰি ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত ৰায় সংৰক্ষিত কৰিছিল। ইয়াৰ পিছতে মঙলবাৰে বিচাৰপীঠে ৰায়দান কৰি ২০১৭ চনৰ পৰা আজীৱন কাৰাদণ্ড ভুগি থকা সাইবাবাকে ধৰি আটাইকেইজন অভিযুক্তক দোষমুক্ত কৰে৷ মহাৰাষ্ট্ৰ ৰাজ্য চৰকাৰে বোম্বে উচ্চতম ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ৰ দাৰস্থ হোৱাৰ কথা সদৰী কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহু দেখুৱালে ফেচবুকে!

নেটিজেনে হাহাকাৰ কৰিবলগীয়া হয়৷ বহুতে একাউণ্ট হেক বুলি ইজন সিজনক ফোন কি খবৰ লয়৷ অলপ পাছতে সকলোৱে অৱগত হয় যে কাৰিকৰী বিজুতিৰ বাবে ফেচবুক আৰু ইনষ্টাগ্ৰামত সমস্যাই দেখা দিছে৷ সমগ্ৰ বিশ্বত নিশা হঠাতে ফেচবুক আৰু ইনষ্টাগ্ৰাম বন্ধ হৈ পৰাত একত্ৰত বিভিন্ন পক্ষই অভিযোগ দাখিল কৰি পোষ্ট কৰে৷ ব্যৱহাৰকাৰীসকলে এই দুয়োটা প্লেটফৰ্মত লগ ইন সমস্যাত পৰা বুলি কয়। ফেচবুক আৰু ইনষ্টাগ্ৰাম লগ ইন হোৱা নাছিল৷ বহু ব্যৱহাৰকাৰীক পাছৱৰ্ড ৰং আৰু পাছৱৰ্ড সলনি কৰিবলৈও কোৱা হৈছিল। কিন্তু প্ৰায় ৪০ মিনিটৰ অন্তত পূৰ্বৰ দৰে একাউণ্টসমূহ সক্ৰিয় হৈ পৰে৷ ইউটিউব ব্যৱহাৰকাৰীসকলেও একে ধৰণৰ সমস্যাৰ সন্মুখীন হয়৷ মঙলবাৰে নিশা প্ৰায় ৮:৩০ বজাত ব্যাঘাত আৰম্ভ হৈছিল। আউটেজ ট্ৰেকিং ৱেবছাইট Downdetector.com-এ মেটা প্লেটফৰ্মৰ ফেচবুক আৰু ইনষ্টাগ্ৰামৰ হাজাৰ হাজাৰ ব্যৱহাৰকাৰীয়ে সমস্যাত পৰা বুলি তথ্য প্ৰকাশ কৰিছে। ফেচবুকৰ বাবে তিনি লাখতকৈ অধিক লোকে অভিযোগ পোৱা বুলি কয়৷ আনহাতে ইনষ্টাগ্ৰামৰ বাবে ২০ হাজাৰতকৈ অধিক লোকে অভিযোগ পোৱা বুলি কয় ৱেবছাইটটোৱে৷ ব্যৱহাৰকাৰী আৰু কাৰিকৰী সংস্থাৰ অভিযোগৰ ভিত্তিত মেটা কৰ্তৃপক্ষই প্ৰতিবেদনৰ পাছতে ফেচবুকৰ সমস্যা ট্ৰেক কৰি পুনৰ সক্ৰিয় কৰা বুলি জানিব পৰা গৈছে৷



চালকৰ আসনত অতুল বৰা। প্ৰধানমন্ত্ৰীৰ কাজিৰঙা ভ্ৰমণৰ পূৰ্বে প্ৰস্তুতিৰ বুজ লৈছে দুই মন্ত্ৰীয়ে

# কা'ক লৈ যুৱ-ছাত্ৰ পৰিষদৰ ধৰ্ণা

**ই-সংবাদ, ৫ মাৰ্চঃ** 'কা' বলবৎ কৰিব নিদিয়াৰ হুংকাৰ দি আজি ৰাজ্যজুৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে প্ৰতিবাদ সাব্যস্ত কৰে। পূৰ্বে ঘোষণা কৰা কাৰ্যসূচী অনুসৰি যুৱ-ছাত্ৰ পৰিষদৰ জিলা তথা আঞ্চলিক সমিতিসমূহে মহকুমা সদৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰে। বিভিন্ন জিলাই জিলাই নেতা-কৰ্মী আৰু সমৰ্থকে হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ সমদল কৰি আহি মহকুমা সদৰত উপস্থিত হৈ চৰকাৰৰ বিৰোধী শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। অসমীয়া জাতিক ধ্বংস কৰিব খোজা চৰকাৰে 'কা' বলৱৎ কৰিব খোজাৰ অভিযোগ উত্থাপন কৰি 'কা' কোনো কাৰণত বলৱৎ কৰিব নিদিয়াৰ হুংকাৰ প্ৰদান কৰে। অনাগত দিনত জংগী আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে। ধৰ্ণাৰ অন্তত মহকুমাধিপতি যোগে দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুলৈ স্মাৰক পত্ৰ প্ৰদান কৰে সংগঠনটোৱে। ইপিনে প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈ যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই অসমীয়া জাতিক অস্তিত্বৰ সংকটত পৰিব পৰা কোনো কাৰ্য কৰিব দিয়া নহ'ব বুলি স্পষ্ট কৰে। বিদেশী সংস্থাপন কৰিব দিয়া নহ'ব। আইন বলবৎ কৰিলে অসমত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি কৈ চাংমাই কয় 'মই চৰকাৰক সকীয়াই দিছো, অসমৰ থলুৱা লোকৰ জীৱনৰ সৈতে খেলা নকৰিব। 'কা' বলবৎ হ'লে প্ৰতিবাদ হৈ থাকিব।'



শ্বাহৰুখ খানৰ সৈতে অসমৰ মুখ্যমন্ত্ৰীৰ পত্নী-কন্যা

# ভাৰতৰ সীমাৰ পৰা তিনি কোটিৰ ক্ষতিপূৰণ দাবী

## পাকিস্তানীৰ সৈতে প্ৰেম কৰাৰ পৰিণতি!

**ই সংবাদ, ৫মাৰ্চঃ** অনলাইন গেমৰ জৰিয়তে প্ৰেমত পৰাৰ পিছত অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰি গ্ৰেটাৰ নয়দাৰ শচীন মীনাৰ সৈতে বিবাহ পাশত আৱদ্ধ হোৱা পাকিস্তানৰ যুৱতী সীমা হাইদৰৰ এইবাৰ বাঢ়িছে বিপদ। শচীনৰ সৈতে সুখৰ সংসাৰ গঢ়াৰ সময়তে এতিয় সীমাৰ পৰা ৩ কোটি টকাৰ ক্ষতিপূৰণ বিচাৰি পাকিস্তানৰ পৰা জাননী প্ৰেৰণ কৰিছে সীমাৰ প্ৰাক্তন স্বামী গুলাম হাইদৰে। এই ক্ষতিপূৰণ দাবী কৰি প্ৰেৰণ কৰা জাননীখনত লগতে এমাহৰ ভিতৰত সীমা আৰু শচীনক ক্ষমা খুজিবলৈও কোৱা হৈছে। আনহাতে চাৰি সন্তানৰ মাতৃ সীমা আৰু বৰ্তমানৰ স্বামী শচীনে এই ধনৰাশি আদায় দিব নোৱাৰে, তেন্তে পৰৱৰ্তী সময়ত বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও সকীয়াই দিছে গুলাম হাইদৰে। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি গুলামৰ হৈ মীনা দম্পতীলৈ এই জাননী প্ৰেৰণ কৰিছে অধিবক্তা আলী মমিনে। উল্লেখ্য যে, চাৰি সন্তানক লগত লৈ যোৱা বছৰৰ মে' মাহত নেপাল হৈ অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিছিল সীমা হাইদৰে। অনলাইন গেমৰ জৰিয়তে শচীনৰ সৈতে পৰিচয় হৈছিল সীমাৰ। ইফালে সীমাই ভাৰত আগমণৰ পিছতে সন্তান কেইটাৰ তত্বাৱধান বিচাৰি আইনী পথ বাচি লয় প্ৰাক্তন স্বামী গুলাম হাইদৰে। ইয়াৰ পিছতে গুলামে পাকিস্তানী অধিবক্তা তথা মানৱ অধিকাৰ কৰ্মী আনছাৰ বাৰাণীৰ জৰিয়তে ভাৰতৰ অধিবক্তা আলী মমিনৰ সৈতে যোগাযোগ কৰি ভাৰতৰ সকলো আইনী প্ৰক্ৰিয়া চলোৱাৰ দায়িত্ব অৰ্পণ কৰে।



ফ্ৰান্সৰ নাইচ কানিৰ্ভেল-২০২৪ৰ এটি সুন্দৰ দৃশ্য

# বসন্ত উৎসৱৰ ৰূপালী জয়ন্তী

**ই সংবাদ, ৫মাৰ্চঃ** ২০০০ চনতে প্ৰতিষ্ঠা হোৱা গোলাঘাটৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান পূব গোলাঘাট বসন্ত উৎসৱে পালন কৰি অহা বহু উদযাপনে এইবেলি ২৫ বছৰত ভৰি দিলে। এইবেলি ৰূপালী জয়ন্তী অহা ২৫, ২৬ আৰু ২৭ এপ্ৰিলত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কছাৰীহাট বনগাঁৱৰ বোধেশ্বৰ বৰদলৈ সোঁৱৰণী খেলপথাৰত পালন কৰা হ'ব। সঞ্জয় হাজৰিকাক সভাপতি, তোযেশ্বৰ বৰাক কাৰ্যকৰী সভাপতি, ৰমেশ বৰাক মুখ্য সম্পাদক হিচাপে লৈ ৰূপালী জয়ন্তী উদযাপন সমিতি গঠন কৰা হৈছে। ৰূপালী জয়ন্তী উৎসৱৰ সৈতে সংগতি ৰাখি বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, সৰু বিহুৱতী, সৃষ্টিশীল নৃত্য, পিঠা, গামোছা, জলপান, টেকেলী ভগা, চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সাংস্কৃতিক সন্ধিয়াত অংশগ্ৰহণ কৰিব খগেন গগৈ, মণ্টু গোঁহাই, বিকশিতা গগৈ আৰু জুবিলী বৰুৱাই। ৰূপালী জয়ন্তী উপলক্ষে "বসন্ত" শীৰ্ষক এখন স্মৃতিগ্ৰন্থ প্ৰকাশ পাব। অধিক তথ্যৰ বাবে উদযাপন সমিতিৰ মুখ্য সমন্বয়ৰক্ষী মনজিৎ ৰাজবংশীৰ ৯১০১৬০৭০৪৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## উত্তাল প্ৰতিবাদ, কেন্দ্ৰীয় চৰকাৰলৈ স্মাৰক পত্ৰ প্ৰেৰণ

# জনজাতিকৰণৰ দাবীত টাই আহোম যুৱ পৰিষদৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, ৫ মাৰ্চঃ** জনজাতিকৰণৰ দাবীক লৈ পুনৰ সৰৱ হৈছে আহোম জনগোষ্ঠীৰ কেইবাটাও সংগঠন৷ আজি উজনি অসমত আহোম জনগোষ্ঠীক নেতৃত্ব দিয়া টাই আহোম যুৱ পৰিষদ চমুকৈ টাইপাই জনজাতিকৰণৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে৷ কেন্দ্ৰীয় সমিতি, তিনিচুকীয়া জিলা সমিতি, শদিয়া আৰু মাৰ্ঘেৰিটা আঞ্চলিক সমিতিয়ে পৃথক আদিম ভূমি উদ্ধাৰ, অনুসূচীত জনজাতিৰ মৰ্যাদা আৰু স্বায়ত্ত শাসিত পৰিষদ গঠনৰ দাবী জনায়৷ তথা কেন্দ্ৰীয় চৰকাৰক স্মাৰক পত্ৰ প্ৰদান কৰে টাই আহোম যুৱ পৰিষদে৷ অন্যথাই অনাগত দিনত উজনি অসমত পৃথক ৰাজ্যৰ দাবী পূৰ্ণ গতিত উত্থাপন কৰাৰ হুংকাৰ প্ৰদান কৰে টাই আহোম যুৱ পৰিষদে৷ সংগঠনটোৰ উপ-সভাপতি দুৰ্গা কোঁৱৰে বিগত বছৰবোৰত ছয় জনগোষ্ঠীৰ মুখ্যত শীঘ্ৰে আহোম জনগোষ্ঠীক অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে সংগঠনটোৱে৷ অৱস্থান ধৰ্মঘটৰ অন্তত স্থানীয় প্ৰশাসনৰ জড়িয়তে ৰাজ্য জনজাতিকৰণৰ দাবীক চৰকাৰে অৱহেলা কৰা বুলি কয়। শাসনাধিষ্ঠিত বিজেপি চৰকাৰক সমালোচনা কৰি বিজেপিৰ দুটা কাৰ্যকালত আহোমক প্ৰৱঞ্চনা কৰা বুলি কয়৷ বিজেপিয়ে চৰকাৰ গঠনৰ ছয় মাহৰ ভিতৰত জনজাতিকৰণৰ আশ্বাস দিছিল৷ কিন্তু ক্ষমতা লাভৰ পাছত জনজাতিকৰণৰ প্ৰতিশ্ৰুতি অসম্পূৰ্ণ হৈ ৰ'ল৷ যদি এইবাৰ নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণ নকৰে, তেন্তে নিৰ্বাচনত বিজেপিক শিক্ষা দিয়া হ'ব বুলি কয় সংগঠনটোৱে৷

# মৰিগাঁৱত ৫২০ কোটিৰ আঁচনিৰ শিলান্যাস




**ই-সংবাদ, লাহৰীঘাট, ৫ মাৰ্চঃ** মৰিগাঁৱৰ তৰুণৰাম ফুকন খেলপথাৰত আজি মন্ত্ৰী কেশৱ মহন্তই 'বিকাশ যাত্ৰা' কাৰ্যসূচীৰ অধীনত মৰিগাঁও জিলাত বিভিন্ন বিভাগৰ ১৩৭ খন আঁচনি উদ্বোধন আৰু শিলান্যাস কৰে। আঁচনিসমূহৰ মুঠ ব্যয় ৫১৯ কোটি ৯৬ লাখ টকা। ১৩৭ খন আঁচনিৰ ভিতৰত ৭৭ কোটি ৮৫ লাখ টকা ব্যয়েৰে ৯৬ খন আঁচনি উদ্বোধন কৰা হয়৷ ৪৪২ কোটি ১১ লাখ টকা ব্যয়েৰে ৪১ খন আঁচনিৰ শিলান্যাস কৰা হয়। আঁচনিসমূহৰ শিলান্যাস আৰু উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয়, বিকাশ যাত্ৰাৰকথা হয়তো ৰাইজে প্ৰথমবাৰৰ বাবে শুনিছে। বিকাশ যাত্ৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ ফচল। মন্ত্ৰীগৰাকীয়ে ৪০ কোটি টকা ব্যয়সাপেক্ষে মৰিগাঁও জিলাৰ মিকিৰভেটাত ৫০ খন বিচনাযুক্ত এখন আয়ুৰ্বেদিক চিকিৎসালয় আৰু মৰিগাঁৱত ৫০ খন বিচনাযুক্ত এটা ক্ৰিটিকেল কেয়াৰইউনিট স্থাপন কৰা হ'ব বুলিও ঘোষণা কৰে। মৰিগাঁৱৰ অৰ্থনীতিত বান আৰু খহনীয়াই মোক্ষম আঘাত হানি আহিছিল যদিও বৰ্তমানৰ চৰকাৰে স্থায়ী সমাধানৰ দিশে অগ্ৰসৰ হৈছে। মৰিগাঁও জিলাৰ ব্যাপক খহনীয়াপ্ৰৱন লাহৰীঘাট, মায়ং আৰু ভূৰাগাঁও ৰাজহ চক্ৰৰ নৈপৰীয়া ৰাইজৰ বাবে সুখবৰ কঢ়িয়াই আনি জিলাখনত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংক চমুকৈএডিবিৰ ২৫০ কোটি টকা অৰ্থসাহায্যৰে নিৰ্মাণ কৰিবলগীয়া জিঅ'বেগ প্ৰকল্পটোৰ কথা উল্লেখ কৰে। খহনীয়া জৰ্জৰ নৈপৰীয়া ৰাইজৰ বাবে এই আঁচনিখন আশীৰ্বাদৰূপে পৰিগণিত হৈছে বুলি কয় কেশৱ মহন্তই। আনহাতে নেলীত এটা ট্ৰ'মা কেন্দ্ৰ মুকলি কৰা সন্দৰ্ভত তেওঁ কয় যে ট্ৰ'মা কেন্দ্ৰটোত ৫ খন বিছনাযুক্ত এটা ক্ৰিটিকেল কেয়াৰ ইউনিট আৰু অন্য ৰোগীৰ বাবে ১৫ খন বিচনা থাকিব। ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত লোকসকলৰ বাবে এই ট্ৰ'মা কেন্দ্ৰটো জীৱনদায়িনী হিচাপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে।

## প্ৰায়বোৰ মন্ত্ৰীলৈ প্ৰেৰণ ভাবুকি ভৰা ই-মেইল অজ্ঞাত লোকৰ

# ২৫লাখ ডলাৰ দাবী কৰি ভাবুকি ভৰা ই-মেইল কৰ্ণাটকৰ মুখ্যমন্ত্ৰীলৈ



**ই সংবাদ, ৫মাৰ্চঃ** ২৫ লাখ ডলাৰ দাবী কৰি ভাবুকিভৰা ইমেইল কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়ালৈ। আৰক্ষীৰ সূত্ৰ অনুসৰি, মুখ্যমন্ত্ৰীৰ উপৰিও ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ আৰু আন কেইবাগৰাকীও মন্ত্ৰীয়ে লাভ কৰিছে ভাবুকিপূৰ্ণ মেইল। আৰক্ষীৰ মতে, ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ লগতে আন মন্ত্ৰীসকললৈ ধন বিচাৰি মেইল প্ৰেৰণ কৰা হৈছে Shahidkhan10786@protonmail.com ৰ পৰা। ইমেইলটোত কোৱা হৈছে যে যদি আমি ২৫ লাখ ডলাৰ নিদিওঁ তেন্তে সমগ্ৰ ৰাজ্যৰ ৰে'ল, বাছ, মন্দিৰ, হোটেল আৰু সকলো জনবসতিপূৰ্ণ অঞ্চলত বোমা বিস্ফোৰণ হ'ব।ইমেইলটোত আৰু লিখা আছিল, "আমি আপোনাৰ চিনেমাৰ আৰু ট্ৰেইলাৰ দেখুৱাব বিচাৰো। কেইঘণ্টামানৰ পিছতে আমবাৰী উৎসৱ বাছত বিস্ফোৰণ ঘটিব। ইয়াৰ পিছত আমি ছ'চিয়েল মিডিয়াত আমাৰ দাবী উত্থাপন কৰিম। ইয়াৰ পিছত আমি তালৈ পঠোৱা ইমেইল বাৰ্তাৰ স্ক্ৰীণশ্বটটোও অন্তৰ্ভুক্ত কৰিম। আমি পৰৱৰ্তী বিস্ফোৰণৰ বিষয়ে এক্সৰ জৰিয়তে অৱগত কৰিম।" এই ভাবুকিপূৰ্ণ মেইল পোৱাৰ পিছত ৰাজ্য প্ৰশাসনত হুলস্থুলৰ সৃষ্টি হয়। বাংগালুৰু আৰক্ষীৰ ক্ৰাইম ব্ৰাঞ্চে এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। উল্লেখ্য যে, কিছুদিন পূৰ্বে কৰ্ণাটক আৰক্ষীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক হত্যাৰ ভাবুকি দিয়া এজন লোকক গ্ৰেপ্তাৰ কৰিছিল। মোদী আৰু যোগীক মৃত্যুৰ ভাবুকি দিয়াৰ ঘটনাৰ পাছত এইবাৰ মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়া আৰু তেওঁৰ মন্ত্ৰীসকললৈ কোটি কোটি টকাৰ দাবীত ভাবুকি দিয়া মেইল প্ৰেৰণ কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## অৱসৰপ্ৰাপ্ত শিক্ষক তাহেৰ উদ্দিনক সম্বৰ্ধনা

**ই-সংবাদ, ৫ মাৰ্চ, মৈৰাবাৰীঃ** লাহৰীঘাট শিক্ষাখণ্ডৰ আলিপুখুৰী এম.ই স্কুলত আজি এখন সভা অনুষ্ঠিত হয়। প্ৰধান শিক্ষক আক্তাৰুল হকে আঁতধৰা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিয়ে সভাপতিত্ব কৰা সভাত অৱসৰ গ্ৰহণ কৰা বিদ্যালয়ৰ সহ-শিক্ষক তাহেৰ উদ্দিনক আনুষ্ঠানিকভাৱে বিদায় জনোৱা হয়। শিক্ষকগৰাকীক ফুলাম গামোচা, জাপি, শৰাই, মানপত্ৰ, কিতাপ, কলম, লাখুটিৰে সম্বৰ্ধনা জনোৱা হয়। ১৯৯৬ চনত লাহৰীঘাট শিক্ষাখণ্ডৰ অন্তৰ্গত হাঁহচৰাগাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে চাকৰি জীৱন আৰম্ভ কৰা তাহেৰ উদ্দিনে ২০০৫ চনত বদলি হৈ আলিপুখুৰী প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰি ২৯ ফেব্ৰুৱাৰীত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল উপস্থিত হৈ সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত অতিথি হিচাবে উপস্থিত থাকে মৈৰাবাৰী অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ আব্দুল গফুৰ, মৈৰাবাৰী আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ লুৎফুৰ ৰহমান, মৈৰাবাৰীৰ CRCC পংকজ মেধি।

# শেষ পৃষ্ঠা

## সন্তোষ ট্ৰফীত পৰাস্ত অসম

**ইটানগৰ, ৫ মাৰ্চঃ** সদানন্দ সিঙৰ হেট্ৰিকৰ সহায়ত সন্তোষ ট্ৰফীত মণিপুৰে অসমক ৭-১ গ'লৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে। পূৰ্বৰ চেম্পিয়ন মণিপুৰে মেছৰ আৰম্ভণিৰ পৰাই প্ৰভুত্ব বিস্তাৰ কৰে। মাত্ৰ চাৰি মিনিটত চান্থ'ই মেইতেই প্ৰথম গ'ল কৰি মণিপুৰক অগ্ৰগতি প্ৰদান কৰে। হেট্ৰিক কৰা সদানন্দই (১১, ১৬, আৰু ৭০) তিনিটা নাংবান পাচা সিং (১৯), মাইবান দেনী সিং (৮২) আৰু ইমাৰচন মেইতেই (৮৮) এটাকৈ গ'ল স্ক'ৰ কৰে। অসমৰ হৈ একমাত্ৰ গ'লটো মেছৰ ৬৪ মিনিটত স্ক'ৰ কৰে জয়দ্বীপ গগৈয়ে।

## প্ৰাইজমানি ক্ৰিকেটৰ ফাইনেল

**ই সংবাদ, ৫মাৰ্চঃ** ক্ৰীড়াই আমাক এক সু শৃংখলিত জীৱন দিয়ে।ক্ৰীড়াই আমাক আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিয়াৰ উপৰিও আমাক প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ সাহস দিব পাৰে।এই মন্তব্য অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক তথা সহযোগী সম্পাদক প্ৰকাশ মহন্তৰ। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰাইজমানি ক্ৰিকেট বল প্ৰতিযোগিতাৰ ফাইনেল খেলৰ অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্তই আৰু কয়- বিগত সময়ত উৰিয়া গাঁৱৰ সামাজিক,সাংস্কৃতিক, ক্ৰীড়া,বিদ্যায়তনিক দিশলৈ এক ধুমুহা আহিছিল।ইয়াৰ ফলত অঞ্চলটোৰ বাণিজ্যিক দিশত ব্যাপক ক্ষতি হৈছিল। আনকি ঐতিহ্যমণ্ডিত উৰিয়া গাঁও খেলপথাৰ খন নাইকিয়া কৰি দিব খোজা হৈছিল।গতিকে সময়ে সময়ে উৰিয়া গাঁও অঞ্চলটোলৈ যি কঠিন প্ৰত্যাহ্বান আহিছে। এই প্ৰত্যাহ্বান উফৰাবৰ বাবে আমি ক্ৰীড়াক মাধ্যম হিচাপে একত্ৰিত হব লাগিব।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

## গুৱাহাটীত পত্নীৰ সৈতে প্ৰেম কৰা বন্ধুলৈ বন্ধুৰ গুলী

**ই সংবাদ, গুৱাহাটী, ৫মাৰ্চঃ** পুনৰ মহানগৰীত পৰকীয়া প্ৰেমৰ বাবেই সংঘটিত হ'ল জঘণ্য ঘটনা। বন্ধুৱে গুলীয়ালে বন্ধুক। এই ঘটনা সংঘটিত হৈছে গুৱাহাটী মহানগৰীৰ বৰবাৰীত। প্ৰাথমিক খবৰ অনুসৰি বাপন নামৰ এজন যুৱকে সংঘটিত কৰিলে এই ঘটনা। বাপনৰ পত্নীৰ সৈতে ছাদ্দাম হুছেইন নামৰ আন এগৰাকী যুৱকৰ আছিল অবৈধ সম্পৰ্ক। ইয়াৰ মাজতে ১০ দিন পূৰ্বে ছাদ্দামে বাপনৰ পত্নীক পলোৱাই নিয়ে। সেই খণ্ডতে বাপনে আজি ছাদ্দাম লক্ষ্য কৰি গুলীয়াই। গুলীৰ আঘাতত গুৰুতৰভাৱে আহত হৈছে ছাদ্দাম। ঘটনাৰ পাছতে তেওঁক কাষতে থকা প্ৰতীক্ষা হাস্পতালত ভৰ্তি কৰোৱা হৈছে। কিন্তু সৰ্বত্ৰে চৰ্চিত প্ৰশ্নটো হ'ল বাপনে ক'ত পালে মাৰণাস্ত্ৰ? কোনে যোগান ধৰিলে এই অস্ত্ৰ? উল্লেখ্য যে, ছাদ্দাম হুছেইনৰ ঘৰ কলাইগাঁৱৰ আমগুৰিত। তেওঁ পেছাত আছিল এজন ইলেক্ট্ৰিচিয়ান। বাপন নামৰ যুৱকজন পেছাত এগাৰীক প্লাম্বাৰ। দুয়ো পুৰণি বন্ধু। সেই সূত্ৰেই বাপনৰ পত্নীৰ সৈতে অবৈধ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল ছাদ্দামৰ। ইতিমধ্যে আৰক্ষীয়ে আটক কৰিছে বাপনক। ইফালে উক্ত ঘটনাক লৈ সামাজিক মাধ্যমতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বহুতে এই ঘটনাক সামাজিক অৱক্ষয় বুলি নিন্দা কৰাৰ বিপৰীতে বহুতে দুয়োগৰাকী স্বামী-স্ত্ৰীক দোষাৰোপ কৰিছে।

এইবাৰ নতুন ৰূপত আপোনাৰ গাইডেন্স
গুণগত শিক্ষাৰ প্ৰতিশ্ৰুতি আৰু নতুন উদ্যমেৰে আপোনাৰ পদুলি গাইডেন্স
GUIDANCE SENIOR SECONDARY SCHOOL
২০২৪-২৫ শিক্ষাবৰ্ষ নামভৰ্ত্তি চলি আছে
অংকুৰৰ পৰা নৱম শ্ৰেণীলৈ
Run by:- HDSW Society
An Institute of Quality Education
Salient Features
Well Trained Qualified Teachers.
Healthy & Peaceful Environment.
Scholarship for Meritonious Students.
Transport Facility.
PD & Spoken English.
Free Health Chek up.
Free Computer Education.

প্ৰতিটো ক্লাছত আসন মাত্ৰ ৩০
Murajhar (Ruhini Pathe) Hojai 8876310103 / 9678015016

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান